শুকুলা ডাৱৰ
ঐ
কঁহুৱা ফুল



শ্ৰীপাৰ্বতীপ্ৰসাদ বৰুৱা

শুকুলা ডাৱৰ

এ

কঁহুৱা ফুল

শ্রীপাৰ্ব্বতি প্ৰসাদ বৰুৱা

প্ৰকাশক
শ্ৰীমানৱীৰাম বৰুৱা
সোণালীপাম, সোণাৰি, অসম

বেটুপাতৰ শিল্পী
শ্ৰীমুহি কান্ত ডেকা

চেপাশাল
শ্ৰীদেৱ প্ৰসাদ মিত্ৰ
এলম্ প্ৰেছ,
বিডন ষ্ট্ৰীট, কলিকতা-৬

[redacted]
বেচ - দুটকা পয়সত্তৰ পইচা

অৰ্পণ

মৰমৰ নবৌটি স্বৰ্গীয়া সত্যব্ৰতী বৰুৱাৰ
পবিত্ৰ সোঁৱৰণীত।

শ্ৰীপাৰ্ব্বতি প্ৰসাদ বৰুৱা

মোখনি

শুকাবৰ বাঢ়নী পানীত লেকলো পৰুৱাৰ লানিৰ নিচিনাকৈ যি সময়ত এই গীতবোৰ উটি আহিছিল, সেই সময়ত চেপাত সুমুৱাবলৈ নহল, যদিও মাজে মাজে কেইটামান গুনগুণনি লখিমী আৰু সোণৰ সোলেঙ আদি সুৰীয়া নাটত ছেগ চাই প্ৰকাশ হৈ গৈছে। এতিয়া থাওকতে পঢ়িবলৈ ভাল লাগিব পাৰে ভাবি শৰতকালৰ গীতকেইটা একেলগে প্ৰকাশ কৰিলো। দেশজননীৰ পূজালৈ বাহী হৈছে যদিও একণি পূজা পূজা যেন গোন্ধ দিব পাৰিলেও কৃতাৰ্থ মানিম।

'শুকুলা ডাৱৰ ঐ কঁহুৱা ফুল'ক সজাই পৰাই চেপাশাল পাৰ কৰি ডুৱাৰ ধৰি উলিয়াই দিয়া বাবে মোৰ বৰ-জীয়ৰী শ্ৰীসান্ত্বনা বৰুৱাৰ, এষাৰ আগ-কথা লিখি গধুৰ কৰা বাবে অনুজোপম শ্ৰীবিৰিঞ্চিকুমাৰ বৰুৱাৰ আৰু চেপাশালৰ মুদ্ৰাৰাক্ষসৰ লগত ৰণ দি আৰ্হি-কাকত শুধৰোৱাৰ বাবে ডেকাবন্ধু শ্ৰীকেশৱ মহন্তৰ শলাগ ললো।

কলিকতা,
১ এপ্ৰিল, ১৯৬৩

শ্ৰীপাৰ্ৱতি প্ৰসাদ বৰুৱা

সূচীপাত

১। বজালে আহিনে বাঁহী নে বীণ ৯
২। কিনো পখীয়ে পুৱতী গালে ১০
৩। মোৰ নয়ন-মণি ১১
৪। অৰুণ জেউতি ভৰা ১২
৫। দূৰে দূৰে ভূমুকি মাৰি ১৩
৬। আহিন-মহীয়া শেৱালি সৰিলে ১৪
৭। আজি মৃদু পৰনত ফুলৰেণু উৰে ১৫
৮। আজি নীল আকাশতে শুকুলা ডাৱৰৰ ... ১৬
৯। কোনে ঐ মেলে দুৱাৰ ১৭
১০। আজি আকাশৰ শেহ হ'ব পায় ১৮
১১। তোমাৰ চৰণ ছাবটি চাই ১৯
১২। দুবৰি বনত কোনে নো সৰালে ২০
১৩। সন্ধ্যা মেঘৰ ৰূপ যে সেয়া ২১
১৪। দূৰত সেউজীয়া চাপৰিটি আজি ২২
১৫। ওৰে ৰাতি অন্ধকাৰত ২৩
১৬। কিনো বিচাৰি ফুৰ ঘূৰি ঘূৰি ২৪
১৭। আমি উৰণীয়া দেওৰাজহাঁহজাক ২৫
১৮। আজি শৰতৰ বগা ডাৱৰৰ ২৬
১৯। জুৰকৈ বোৱা পুৰতী নিশাৰ ২৭
২০। নীলিমাৰ আঁৰে আঁৰে লুকালুকি খেলি ... ২৮
২১। মই উজনি দেশৰ উদাসী পথিক ২৯

২২। কিয় উৰি ফুৰোঁ কোনে বাৰু তাক জানে ... ৩০
২৩। এন্ধাৰৰ বুকুতে হাবিয়াহ আছিলে ৩১
২৪। এয়া তোমাৰ সোণালী পোহৰে ৩২
২৫। জয় জয় জয় পোহৰৰ ৩৩
২৬। পোহৰ বীণৰ তাঁৰকিাডলিত ৩৪
২৭। শাৰদী সন্ধিয়াৰ জোনাকী মেল ৩৫
২৮। বন্ধু হে, হেলায় যায় বেলা ৩৬

আগকথা

কাশাংশুকা বিকচ পদ্মমনোজ্ঞ বক্ত্রা
সোন্মাদ হংসৰৱনূপুৰ নাদ ৰম্যা ॥
আপক্ক-শালিৰুচিৰা তনু গাত্ৰযষ্টিঃ
প্ৰাপ্তা শৰন্ন বধূৰিব ৰূপৰম্যা ॥
কাশৈৰ্ম্মহী শিশিৰ দীধিতিনা ৰজন্যো
হংসৈৰ্জলানি সৰিতাং কুমুদৈঃ সৰাংসি
সপ্তচ্ছদৈঃ কুসুম ভাৰনতৈৰ্ব্বনান্তঃ
শুক্লীকৃতান্য্য পবনানি চ মালতীভিঃ।

"ৰূপৰম্যা শৰত নানা বেশ ভুষাৰে সাজি-কাচি নববধূবেশে উপস্থিত হৈছে। কঁহুৱা ফুল, শৰতৰ মনোহৰ সাজ, বিকশিত পদ্ম-মনোৰম মুখ, মদ-মুখৰ কলহংস, ৰমণীয় নূপুৰনাদ, নবীন শালিধান লাহীদেহৰ অঙ্গলতা। মধুৰ শৰতত সকলোৱেই শ্বেত সাজ পিন্ধিছে, কঁহুৱা ফুলেৰে পৃথিবী, শিশিৰ-স্নিগ্ধ চন্দ্ৰ কিৰণেৰে ৰাতি, হংসৰাজিৰে নদীৰ পানী, কুমুদেৰে সৰোবৰ, কুসুমভাৰ-নত সপ্তপৰ্ণেৰে (ছতিয়ন) বন আৰু মালতী ফুলেৰে উপবন শুভ্ৰ হৈ পৰিছে।"

শুকুলা শৰতৰ এই বৰ্ণনা কবি-চক্ৰবৰ্ত্তী কালিদাসৰ। শুভ্ৰ শৰতৰ সৌন্দৰ্য্য বন্দনাত পদ্মা-গঙ্গা তীৰৰ কবি ৰবীন্দ্ৰনাথেও ৰেবা কবিকেই অনুকৰণ কৰিছে ঃ

আমৰা বেঁধেছি কাশেৰ গুচ্ছ
আমৰা গেথেঁছি শেফালি মালা

নবীন ধানের মঞ্জরী দিয়ে
সাজিয়ে এনেছি ডালা।
এসো গো শাৰদলক্ষ্মী, তোমাৰ শুভ্র
মেঘেৰ ৰথে,
এসো নির্ম্মল নীল পথে
এসো ধৌত শ্যামল
আলো ঝলোমলো
বনগিৰি পর্ব্বতে
এসো মুকুটে পৰিয়া শ্বেতশতদল
শীতল-শিশিৰ ঢালা।

মন্থৰ গতিৰে দিখৌত বান তুলি শৰত কোঞ্চৰে দেহৰ মনৰ এলাহ জড়তা ভাঙি অসমীয়া বৰাগী কবিক বলিয়া কৰিছে। শৰতৰ আগমনত বৰাগী কবিৰ অন্তৰ থৌকি-বাথৌকি ঃ

চিনো কি নিচিনো একো নুগুনিলো
অচিন আদৰতে মজি
বুকুৰ মাজৰে পগলা বৰাগী
ৰঙতে নাচিলো আজি
বান্ধৈ ঐ
কেনেবা কৰিলে মন।

আকৌ

আজি ৰঙৰে দিনতে কিহৰ ঐ চিতনি
থৈ দে ঘৰৰ কাম
শেৱালিৰ মালা পিন্ধি নাচোঁহঁক
লগাই দে বিহুৰ নাম।

দীৰ্ঘমাহ বৰ্ষাস্নাত অসমলৈ (বিশেষকৈ উজনি অসমলৈ) শৰতে এক স্নিগ্ধ নিৰ্ম্মল নবীনতা আনে। লুইতপাৰৰ কঁহুৱা বন, পথাৰৰ শাৰী শাৰী সেউজী শালিধান, বতাহত শেৱালিৰ গোন্ধ, আকাশত ৰাজহংসৰ কলনাদ, শেৱালিসৰা নিয়ৰতিতা বননি—শৰতৰ এই মনোৰম দৃশ্যাৱলীয়ে এক অনিৰ্ব্বচনীয় অনুভূতিৰ সৃষ্টি কৰে। বহিঃ-প্ৰকৃতিৰ ৰূপ-ৰস-গন্ধ গীতৰ লগত অন্তৰঙ্গ স্থাপনত সুৰ প্ৰধান মাধ্যম। কবিয়ে সেই কাৰণে গীতৰ সুৰেৰে আমাৰ দৃশ্য স্পৰ্শ-ধ্বনি-ঘ্ৰাণ-অনুভূতিক উদ্বোধ কৰিছে।

পাৰ্বতিপ্ৰসাদ গীতিকাৰ। গীতৰ মূল ধৰ্ম্ম সুৰ আৰু আবেগ-সঞ্চাৰী ভাব। আকাশ-বিহাৰী চৰাইৰ পাখিৰ দৰে গীতৰ শব্দভাৰ পাতল, আকৌ প্ৰতিটো শব্দ ভাবৰ পৰশ-পাথৰত শোধিত হৈ উজ্জ্বল আৰু দীপ্তিবান! শব্দ ব্ৰহ্ম এই কথা বঢ়িয়াকৈ গীতত প্ৰযোজ্য। গীতৰ এটি চিত্ৰ, এখনি প্ৰতিমা (image) বহু ভাব-ব্যঞ্জক। সূৰুযৰ সামান্য ৰশ্মি এটিত নদীৰ তৰঙ্গ সোণৰ দৰে জিলমিলাই উঠাৰ দৰে গীতৰ ক্ষুদ্ৰ এটি চিত্ৰ বা প্ৰতিমাত অন্তৰ-তৰঙ্গৰ বিচিত্ৰ অনুভূতি ৰঞ্জিত হৈ উঠে। তলৰ উদ্ধৃতাংশ তাৰে নিদৰ্শন ঃ

আকাশত আজি
উটি যায় সৌ
মোৰ সপোনৰ-ভূৰ।

আকাশৰ বগা ডাৱৰ
উৰে সি সুৰৰ মায়াত
ছবি তাৰ আঁকে কোনে
ধাননিৰ ধূপছায়াত।

ডাৱৰৰ যুঁজতে সূৰুযে জিকিলে
এন্ধাৰ কৰবালৈ গ'ল ;

পোহৰৰ কাঁড়েৰে ডাৱৰ সৰকালে
বতৰ ফৰকাল হ'ল।

'সপোনৰ-ভূৰ' 'ধাননিৰ ধূপছায়া' 'ডাৱৰৰ যুজতে সূৰুয জিকিলে' 'পোহৰৰ কাঁড়', একোটি বাক্য-ৰেখাই এক সম্পূৰ্ণ চিত্ৰ-প্ৰতিমা উদ্ভাসিত কৰিছে। সদা সৰ্ব্বদা প্ৰয়োগত চমৎকাৰিত্বহীন হোৱা 'সৰকালে' আদি সাধাৰণ কথাও কবিৰ যাদুকৰী তুলিকাত উদ্দীপ্ত হৈ ঐশ্বৰ্য্যময়ী দ্যোতনা দিছে।

মানুহৰ প্ৰতি মানুহৰ সহৃদয়তা সহজে জন্মে। কবিয়ে সেই কাৰণে শৰতক 'শৰত কোঁঞৰ' বুলিছে। শৰতকালৰ সৰু-বৰ সকলো দৃশ্যতে মানবিক চেতনা আৰোপ কৰি আমাৰ আত্মীয় কৰিছে। নিৰ্জ্জীৱ প্ৰকৃতিত প্ৰাণ-প্ৰতিষ্ঠা কৰি নৈসৰ্গিক চিত্ৰত মানৱীয় চেতনা অৰ্পি কবিয়ে নিজৰ সৃজনী প্ৰতিভাৰ পৰিচয় দিছে ঃ

অৰুণ জেউতি ভৰা
আহিনৰ ৰাতিপুৱা
হাতত কুঁকিটি লৈ
ভূমুকি মাৰিলে ধীৰে
এটি ফুল তোলা লৰা
....
....

জাকি মাৰি পখিলাই
কাণে কাণে কই যায়
তাৰ নাও হেনো শৰত কোঁঞৰ
বোটলে শেৱালি সৰা।

আজি নীল আকাশত শুকুলা ডাৱৰৰ
ধূলি উৰুৱাই
সৌ পদূলিয়ে আহিছে হবলা
শাৰদী লখিমী আই
আজি লুইতৰ সিপাৰৰ কঁহুৱা বনতে
নাচনী উঠিছে জাগি
ইপাৰৰ ধাননিত কঁপনি উঠিছে
বতাহৰে ঢৌ লাগি।

তলসৰা শেৱালি বোটলা শৰত কোঞৱৰ মাতৃৰ অকুণ্ঠিত ভঁৰাল ভৰোৱা লখিমী আই, কঁহুৱাবন কঁপাই তোলা নাচনী—এই প্ৰত্যেকটোৱে দৃশ্যাতীত ৰূপৰ ব্যঞ্জনা, কথাতীত অৰ্থৰ দ্যোতনা দিছে।

সুৰ বৰাগী-কবিৰ প্ৰাণ (মোৰ বুকুৰ ধ্বনি অসীমত পায় সুৰ)

"সোণ শৰতৰ পৰশ লাগি

....

পোহৰ ৰেণুৰ সুৰ উফৰি
গগন ভৰিল ঐ।"

শৰতৰ পোহৰে, বতাহে, নৈয়ে, পৰেবতে বাজিছে সাদৰী সুৰ,' আজি আকাশৰ তেওঁৰে গীতৰ গুনগুননিৰ সুৰ' 'নিজবাই গায় কুলুগীত' সুৰ প্ৰসঙ্গত কবিয়ে এনেধৰণে কেইবাটাও চিত্ৰ দাঙি ধৰিছে :

'বজালে আহিনে বাঁহী নে বীণ
সুৰত পালানে চিন ?

বতাহত আহিছে ভাহি
কোন উদাসীৰ বাঁহী
বনৰ আঁৰতে কোন বৰাগীৰ বীণ।

কোন চিত্ৰলেখা নাচে চালি ধৰি
কাৰ স্বৰ্ণনূপুৰ ৰুণু জুনু কৰি
থমকি থমকি বাজে সুৰে সুৰে।

চিনো যেন চিনো যেন লাগে
মাটিত মেঘৰ সুৰ জাগে
বাঁহীৰ সুৰত যেন মিলিছে বীণ।

"মাটিত মেঘৰ সুৰ জাগে"—চিত্ৰটি বিশেষ তাৎপৰ্য্যপূৰ্ণ। মেঘ চকুৰে দেখা চিত্ৰ, কবি-প্ৰতিভাই মেঘক কাণৰ উপলব্ধিৰ বিষয়ত ৰূপান্তৰিত কৰি এক নতুন অনুভূতি সজাগ কৰি দিছে। এয়ে Synaesthesia। কবিয়ে সৌন্দৰ্য্যকে সৃষ্টি কৰা নাই, সেই সৌন্দৰ্য্যক উপভোগৰ এক নতুন ইন্দ্ৰিয় দান কৰিছে।

আত্মীয়তাৰ বাহিৰেও প্ৰকৃতিৰ লগত কবিয়ে আশা-আনন্দৰ সম্বন্ধ গঢ়িছে। তেওঁৰ গীতত সেয়েহে শৰতে সোণোৱালী শস্যৰ আগবাতৰি দিছে; শৰতৰ আকাশ-বতাহত সঁপোন-ভবিষ্যতৰ সংকেত আছে। 'শুকুলা ডাৱৰ ঐ কঁহুৱা ফুল'ত আনন্দৰ লহৰ উঠিছে; জীৱন-উপভোগৰ আশ্বাস আছে। এই পিনৰপৰা পাৰ্বতিপ্ৰসাদ কবিগুৰু ৰবীন্দ্ৰনাথৰ সমগোত্ৰীয়। তেওঁ পোহৰ আৰু সুন্দৰৰ উপাসক জীৱন-বিলাসী কবি।

জয় জয় জয় পোহৰৰ
পুণ্য জেউতি সৰগৰ
পোহৰত বাট চিনি পাই
আগুৱাওঁ জয় গান গাই।

সন্তানৰ দৰে সুন্দৰ পৃথিবীক কবিয়ে মন-প্ৰাণ দি ভাল পাইছে, সেয়েহে শৰতৰ সৰ্ব্বত্ৰ সিচৰিত হৈ থকা অফুৰন্ত সৌন্দৰ্য্যকণা বৰাগী কবিয়ে সাগৰ পাৰৰ শামুক বোটলাৰ দৰে এটি এটি কৈ বুটলিছে।

আমি উৰণীয়া দেওৰাজহাঁহজাক

....

আকাশৰ সৌ বগা ডাৱৰৰ শাৰী
তাৰ লগতে অসীমত দিওঁ পাৰি
সোণৰ পদুম বিচাৰি যাওঁ
পদুম বনতে মৃণাল উভালি খাওঁ

গীতৰ ভাষা মন্ত্ৰৰ ভাষা ; ইয়াৰ সম্মোহনীয় প্ৰতিটো চিত্ৰই প্ৰতীক। বীণৰ তাঁৰৰ সুৰৰ দৰে প্ৰতিটো প্ৰতীক অনেকাৰ্থ। দৃষ্টান্ত-স্বৰূপে ওপৰৰ পদুম আৰু দেওৰাজহাঁহ—এই দুই প্ৰতীকত নানা ভাবব্যঞ্জক চিত্ৰৰ সমাহাৰ হৈছে। পদুমে পোহৰৰ পূজা কৰে ; পঙ্কত উপজিও সি পঙ্কৰপৰা নিৰ্লিপ্ত। দেওৰাজহাঁহ 'অমল ধবল' আকাশত স্বাধীনভাৱে উৰি যায় ; গতি তাৰ ধৰ্ম্ম। যাত্ৰা তাৰ অনিন্দনীয় মানস সৰোবৰলৈ। আমাৰ কবিও পোহৰৰ পূজাৰী ; সৌন্দৰ্য্য-কমলৰ সন্ধানত যাত্ৰা অনাসক্ত বৰাগী কবিৰ জীৱন-ধৰ্ম্ম। ইতি।

গুৱাহাটী
২৭. ৬. ৬২.

শ্ৰীবিৰিঞ্চি কুমাৰ বৰুৱা

বজালে আহিনে বাঁহী নে বীণ
সুৰত পালা নে চিন ?

বতাহত আহিছে ভাহি,
কোন উদাসীৰ বাঁহী ?
বনৰ আঁৰত কোন বৰাগীৰ বীণ ?

শুকুলা ডাৰৰ ঐ কঁহুৱা ফুল !
সুৰত গ'লানে ভোল ?

চিনো যেন চিনো যেন লাগে
মাটিত মেঘৰ সুৰ জাগে,
বাঁহীৰ সুৰত যেন মিলিছে বীণ।

২

কিনো পখীয়ে পুৰতী গালে
নিচিনিলো তাৰ মাত
নিশা হ'ল পৰভাত।

সাৰ পাই উঠি খিৰিকী মেলি
চালো বাহিৰখন,
কি নো সুন্দৰ ধৰলী বৰণ
চমকি উঠিল মন।

নেজানো আজি কোন দেৱতাই
আনিলে ই শুভ দিন ;
দেহৰ মনৰ এলাহ জড়তা
সকলো হ'ল বিলীন।

৩

মোৰ নয়ন-মণি
সৌ নীলিমত যায় বুৰ
আকাশত আজি
উটি যায় সো
মোৰ সপোনৰ ভূৰ।

কোনোবা পৰীৰ
ডেউকা দুখনি
মনে মনে কৰি চুৰ,

আজি শূইনত
পাখি ধপেধপাই
উৰি ফুৰে মন মোৰ।

মোৰ বুকুৰ ধ্বনি
আজি অসীমত পায় সুৰ।

৪

অৰুণ জেউতি ভৰা
আহিনৰ ৰাতিপুৱা,
হাতত কুঁকিটি লই
ভুমুকি মাৰিলে ধীৰে
এটি ফুল তোলা ল'ৰা।

পুবপিনে ফুলনিত
জগাই বনৰ গীত
আহিছে ডুবৰি বন কঁপাই কঁপাই,
নিশাৰ নিয়ৰ পৰা।

মৌ মাখি গুন গুন
গুন গুন গায়,
লৰাটিয়ে ৰ লাগি
ৰ লাগি চায়।

জাকি মাৰি পখিলাই
কাণে কাণে ক'ই যায়,—
তাৰ নাও বোলে হেনো শৰত কোঁৱৰ
বোটলে শেৱালি সৰা।

দূৰে দূৰে ভূমুক মাৰি
আঁতৰি তেওঁ যায়
চকা-মকা দেখাত মোৰ
হেপাহ নপলায়।

পোহৰ-উজ্বল ৰূপ-জেউতিত
চমকি মন হয় আচৰিত,
বিস্ময়তে সময় কাটে
চোৱাৰ সময় যায়।

আগত আহি এবাৰ মাথোঁ
হয়হি যদি থিৰ,
নয়ন ভৰি দৰশ লভি
দোৱাঁই থাকিম শিৰ।

জীৱন ফেৰি উদং কৰি
উছৰ্গি দিম চৰণ ধৰি
শত জনম সফল হব
বাৰেক দেখা পাই।

আহিন-মহীয়া শেৱালি সৰিলে
নিয়ৰত তিতিলে বন ;
জোনাকত ওপঙিল কিহবাৰে ৰাগি
কেনেবা কৰিলে মন
বান্ধৈ ঐ
কেনেবা কৰিলে মন ।

বগা ডাৱৰবোৰে মূৰতে পাগুৰি
কোন নো কোঁৱৰ আহি,
দোকমোকালিতে মোৰে দুৱাৰতে
কিয় ভুমুকিয়ালেহি ।
বান্ধৈ ঐ
কেনেবা কৰিলে মন ।

বুকুৰ বান্ধৈ,
চিনো কি নিচিনো আগে
সৰা শেৱালিৰ বাটে কাহানিবা
দেখিছিলো যেন লাগে ।

চিনো কি নিচিনো একো নুগুণিলো
অচিন আদৰতে মজি,
বুকুৰে মাজৰে পগলা বৰাগী
ৰঙতে নাচিলো আজি ।
বান্ধৈ ঐ
কেনেবা কৰিলে মন ।

৭

আজি মৃদু পৱনত ফুল ৰেণু উৰে ;
কাৰ বাঁহীতান বাজে দূৰে দূৰে।

কোন চিত্ৰলেখা নাচে ছালি ধৰি,
'কাৰ স্বৰ্ণ-নূপুৰ ৰুণুজুনু কৰি
থমকি থমকি বাজে সুৰে সুৰে।

তাৰে তালে তালে নাচে ধৰি সুৰ
উলাহী ধৰণী ৰঙে ভৰপূৰ।

সউ নীল গগনত ছায়া-ছবি লেখা
আঁকে ডাৱৰে ডাৱৰে সোণোৱালী ৰেখা
মোহিনী লেখনী কোনে ধৰি ফুৰে।

৮

আজি নীল আকাশতে শুকুলা ডাৱৰৰ
ধূলি উৰুৱাই,
সৌ পদূলিয়ে আহিছে হ'বলা
শাৰদী লখিমী আই।

আজি লুইতৰ সিপাৰৰ কঁহুৱা বনতে
নাচনী উঠিছে জাগি ;
ইপাৰৰ ধাননিত কঁপনি উঠিছে
বতাহৰে ঢৌ লাগি।

আজি বতৰ পৰিছে জুৰ
পোহৰে বতাহে নৈয়ে পৰেবতে
বাজিছে সাদৰী সুৰ।

আজি ৰঙৰে দিনতে কিহৰ ঐ চিতনি
থৈ দে ঘৰৰ কাম ;
শেৱালিৰ মালা পিন্ধি নাচোঁহক
লগাই দে বিহুৰ নাম।

৯

কোনে ঐ মেলে দুৱাৰ।
শৰতৰ সোণৰ পুৱাৰ।

সোণালী পোহৰ ৰেণু
আহিছে উৰি উৰি
ঢাকিছে আকাশ খনি
পৰিছে জগৎ জুৰি।

শেৱালিৰ ঢোপা কলি
আপুনি উঠে ফুলি।

আকাশৰ বগা ডাৱৰ
উৰে যি সুৰৰ মায়াত
ছবি তাৰ আঁকে কোনে
ধাননিৰ ধূপ-ছায়াত।

২

আজি আকাশৰ শেহ হ'ব পায়
শেহ বাৰিষাৰ গান।
দিখৌ নৈৰ বুকুতে সেয়েহে আহিছে
শেহতী বান।

কলীয়া ডাৱৰৰ চকুপানী টোকা
কান্দোন পৰিলে ওৰ
আকাশত উৰিলে কপাহৰে জোলা,
বাজিছে ৰঙৰে সুৰ।

ওপঙি আহিলে লেকলৌ পৰুৱা
শুকাবৰ বাঢ়নী পানী,
পালেহি খৰালি তাৰেহে বাতৰি
দিলেহি আনি।

ডাৱৰৰ যুঁজতে সূৰুয জিকিলে
এন্ধাৰ ক'ৰবালে গ'ল;
পোহৰৰ কাঁড়েৰে ডাৱৰ সৰকালে
ৰতৰ ফৰকালে হল।

তোমাৰ চৰণ ছাবটি চাই
আহিছো মই ;
বিদায় পৰত কুঁৱৰী ঐ,
নেযাবা থৈ ।

লগতে লোৱা আপোন বুলি
নেযাবা মছি চৰণ ধূলি ;
কেনেকৈ যাম বাটটি বুলি
কি আশা লৈ
বিদায় পৰত কুঁৱৰী ঐ
নেযাবা থৈ ।

ভুবৰি বনত কোনে নো সৰালে
শেৱালি ঐ !
নীল আকাশত কোনে নো সুমালে
দেৱালী ঐ !

জোনাকী নিশাত কাৰে ঐ
মুকুতাৰ মণি সৰি গ'ল ?
জানোচা শৰতে এৰি থৈ গল ?

আজি আঘোণত ঘনাই পৰিছে
কুঁৱলী
নৈৰ পাৰত কঁহুৱা মৰিছে
উৰঁৱলি

ফুল কলিটি দেহি ঐ:
হঠাতেই আজি কিনো হল ?
জানোচা শৰতে কিবা কৈ গ'ল।

১৩

সন্ধ্যা মেঘৰ ৰূপ যে সেয়া
ৰঙচুৱা বৰণ,
নয়ন দুৱাৰ মুখে হিয়াত
কৰে অৱতৰণ।

বাহিৰত যি ৰূপ কায়া
ভিতৰত তাৰ পৰে ছায়া
হিয়াৰ মাজত অপৰূপে
কৰিছে মন হৰণ।

চকু মেলি চাই থাকোঁতেই
চকু পানী ওলায়;
অলক্ষিতে কোনে জানো
চৰণযুৰি বুলায়।

চকুৰ পানীৰ মাজত দেখা
হিয়াৰ তলিত থাকে লেখা
মেঘৰ সাঁচত অপৰূপৰ
ৰঙা দুটি চৰণ।

দূৰত সেউজীয়া চাপৰিটি আজি
নকৈ চাই ল মন ;
তাতে আছে তোৰ হেৰোৱা ৰতন
লুকুৱা সপোনৰ ধন ।

একাষেদি তোৰ শুকান বালিগড়া
একাষে অতল জল ।
পাছত এৰি আহ অথাই সাগৰৰ
উৰুমিৰ কোলাহল ।

ওপৰে উৰিছে আকাশত তোৰ
তমোময় ৰদৰে তাপ
নিশাহত তোৰ বতাহত বিয়পি
উৰিছে অগনিৰ ভাপ ।

নিলগত জিলিকা চাপৰিটি চাই
টুলুঙা নাওখন বা,
আকৌ চোন এবাৰ জীৱনৰ তোৰ
সেউজী পামলৈ যা ।

গুৰে ৰাতি অন্ধকাৰত
আছিলে মোৰ দুৱাৰ বন্ধ।
কোনে আহি দিলে মেলি ;
সোণৰ পোহৰ দিলে ঢালি ?
কি আনন্দ, কি আনন্দ !

আন্ধাৰ নিশা বন্ধ ঘৰত
আছিলো শুই দুখৰ ভৰত ;
কি যে সন্দেহ, কি যে শঙ্কা, কি যে দ্বন্দ্ব।

প্ৰথম পুৱাৰ পোহৰ প্ৰাণত,
পৰিল আকৌ ;
উঠিল সুৰৰ হেন্দোলনি
থৌকি-বাথৌ

কঁপক তেনে কঁপক পৰাণ
নতুন সুৰৰ গোৱাচোঁ গান
উঠক কঁপি সুৰে সুৰে
বিশ্ব প্ৰাণৰ নতুন ছন্দ।

কিনো বিচাৰি ফুৰ ঘূৰি ঘূৰি
বলিয়া ব'ৰাগী ঐ
কি হেৰুৱালি তই ?

"হাতী হেৰুৱালো লিহিৰি বনত
ঘোঁৰা হেৰুৱালো ৰণত,
পাই হেৰুৱালো সৰগৰ মুকুতা
চোতালৰ দূবৰি বনত।"

কিনো বিচাৰি ফুৰ ঘূৰি ঘূৰি
বলিয়া ব'ৰাগী ঐ
কিয়নো বলিয়া তই ?

দূবৰি বনৰ নিয়ৰৰ টোপাত
পোহৰ ওলমি ৰয় ;
হাতেৰে ধৰিলে পোহৰ সৰি পৰে
ব'ৰাগী বলিয়া হয়।

আমি উৰণীয়া, দেওৰাজহাঁহজাক,
কিনো বিচাৰোঁ, কোনেও নেজানে তাক ।
দূৰ-দূৰণিত আমাৰ ঘৰ,
লুইতৰ উজনি, মানস সৰোবৰ ।

আকাশৰ সৌ বগা ডাৱৰৰ শাৰী,
তাৰ লগতেই অসীমত দিওঁ পাৰি ।
সোণৰ পদুম বিচাৰি যাওঁ
পদুম বনত মৃণাল উভালি খাওঁ ।

আজি শৰতৰ বগা ডাৱৰৰ
জালি কটা স্নুৰুঙাই,
কোনে ভূমুকিয়াই চায় ?

ডাৱৰৰ দেশৰে নিমাতী কুঁৱৰী
কাৰ কথা জানো সুঁৱৰি
শৰত সোণালী পুৱা ৰদালিত
চকুযুৰি মেলি চায়।
তেৱেঁ ভূমুকিয়াই চায়।

আজি আকাশত তেওঁৰে গীতৰ
গুণ-গুণনিৰ সুৰ,
বিয়পে নীলিম পুৰ।

নীল বৰণীয়া তেওঁৰে ওৰণি,
ছাটি মাৰি ঢাকে ধৰণী,
আজি সমীৰত তেওঁৰে সুৰৰ
সপোন ওপঙি যায়।
তেৱেঁ ভূমুকিয়াই চায়।

জুৰকৈ বোৱা পুৰতী নিশাৰ
কুৰুৱা বতাহছাটি ;
নিশাৰ বুকুত নুমাল এতিয়া
অলেখ তৰাৰ বাতি।

ডুবৰি বনত মিলিবৰ আশে
পুৰাৰ শেৱালি পাহি,
বাট চাই আছে কুৰুৱা বতাহ
সৰুৱাই যোৱাঁহি আহি।

পছিমৰ পছোৱাই যি কথা নেজানে
কুৰুৱা বতাহে জানে,
পূবালি দেশৰ পোহৰৰ বাণী
কুৰুৱাছাটিয়ে আনে ।

জুৰকৈ বোৱা শীতলাই যোৱা
পূবৰ কুৰুৱা জাক ;
কৈ থৈ যোৱা জানা নে বাতৰি
বিচাৰি ফুৰিছো যাক।

নীলিমাৰ আঁৰে আঁৰে লুকালুকি খেলি,
উৰি ফুৰোঁ বগা পাখি মেলি।
কেতিয়াবা নামি যাওঁ,
ধৰণীক চুমা খাওঁ
কুসুমৰ পাতি দিওঁ মেলি।
নীলিমাৰ আঁৰে আঁৰে লুকালুকি খেলি।

বৰষুণ হৈ নামো সৰগৰপৰা;
শইচ সেউজী কৰোঁ ধৰা।
সোণোৱালী ৰেঘা লৈ,
বৰণ সলাওঁ গৈ
গধূলি যেতিয়া বুৰে বেলি
নীলিমাৰ আঁৰে আঁৰে লুকালুকি খেলি।

২১

মই উজনি দেশৰ উদাসী পথিক
দেশ বিদেশত ঘূৰোঁ ;
নিজান বনত অনাই বনাই ফুৰোঁ।

অন্ত বিচাৰি মহা শূইনত
ঘূৰি ফুৰি মই হেৰুৱাওঁ পথ,
আপোন সোঁতত আপুনি ওপঙি
লীন হৈ মই বুৰোঁ
নিজান বনত অনাই বনাই ফুৰোঁ।

পুৱতি নিশাৰ শেতা জোনাকত
বিচাৰোঁ নিজৰ বাট ;
মোৰ পৰশতে কঁপি উঠে কুঁহি পাত।

শেৱালি পাহিয়ে মোক চিনি পায়,
ৰাঙল কলিয়ে মোৰ গুণ গায়,
প্ৰিয়ৰ বাতৰি কাণত বিলাই
মই কাষে কাষে উৰোঁ ;
নিজান বনত অনাই বনাই ফুৰোঁ।

কিয় উৰি ফুৰোঁ কোনে বাৰু তাক জানে ?
হিয়াখনি মোৰ দূৰৰ শূইনে টানে।

কঁহুৱা বনৰ চোঁৱৰে আনিছে ধূলি,
পৰাণে জানিছে কোনোবা আহিছে বুলি,
সেয়ে উলাহত আমনি নেজানে প্ৰাণে।

নিজৰাই গায় কুলু কুলু কুলু গীত ;
তাৰো দূৰণিৰ হাবিয়াহ-ভৰা চিত।

নিজৰা বুকুত গোপনে যি কথা জাগে,
তাৰ সম্ভেদ জানি লোৱাচোন আগে ;
নজনা কথাটি নিজৰে জানোচা জানে।

এন্ধাৰৰ বুকুতে হাবিয়াহ আছিলে
পোহৰ ফুলালে ফুল ;
ৰূপালী ৰেণুৰে ধল বৈ আহিলে
বুৰাই এন্ধাৰৰে কূল ।

ৰেণুৰে বলিয়া কালিন্দী ভোমোৰা
জাকি মাৰি মাৰি উৰে ;
পোহৰৰে ৰঙ্ পাখিত বোলাই
পোহৰৰে গীত জোৰে ।

ইপিনে এন্ধাৰ সিপিনে এন্ধাৰ
মাজত একণি জ্যোতি
জ্যোতিকণা গ'লে সকলো এন্ধাৰ
অনন্ত নীৰৱ ৰাতি ।

পোহৰতে উৰা কালিন্দী ভোমোৰা
জ্যোতি থাকেমানে খেলা
এন্ধাৰৰ বুকুতে জেউতি মিলিব
ভাগিব মোহন মেলা ।

এয়া তোমাৰ সোণালী পোহৰে
মেলা চকুযুৰি কৰিছে পূৰ
এই সেউজীয়া জীৱন ৰসেৰে
পিয়াহী হৃদয় পৰিছে জুৰ।

বতাহৰ এই শীতল ছোৱা
তোমাৰ নিশাহ পৰশ পোৱা,
আকাশৰ এই অসীম নীলাত
শুনিছো তোমাৰ সুৰদী সুৰ।

নিতৌ নতুন তোমাৰ ৰূপ
হৃদয়ত যেন দেখোঁ স্বৰূপ,
তোমাৰ উজ্জ্বল জ্যোতি সাগৰত
জীৱনৰ বেলি যাওক বুৰ।

জয় জয় জয় পোহৰৰ
পুণ্য জেউতি সৰগৰ ।
পোহৰত বাট চিনি পাই,
আগুৱাওঁ জয় গান গাই ।
আঁতৰক ভ্ৰান্তি মনৰ ।

জয় জয় জয় পোহৰৰ
পলায় এন্ধাৰ হৃদয়ৰ ।
জীৱনৰ ছিগক বান্ধোন,
আঁতৰক বিলাপ কান্দোন
সংশয় যক পৰাণৰ ।

২৬

পোহৰ বীণৰ তাঁৰ কিড়ালিত
কাৰ নেদেখা চঁপা-আঙুলিৰ
বুলন পৰিল ঐ !

সৌ এচটি দূৰ-নিলগৰ
আকাশ-পাৰৰ শুকুলা ডাৱৰ,
তাৰ সুকণ্ঠাই নুশুনা সুৰৰ
জোঁকাৰ আহিল ঐ।

পোহৰ দেশৰ জুৰ ৰদালিত
কোন শুৱনী সুৰ-কুঁৱৰী
আছিল ঘুমটি গৈ।

সোণ-শৰতৰ পৰশ লাগি,
আঙুলি বুলায় হঠাৎ জাগি,
পোহৰ ৰেণুৰ সুৰ উফৰি
গগন ভৰিল ঐ।

শাৰদী সন্ধিয়াৰ জোনাকী মেল,
নিৰলা জীৱনৰ ক্ষণিক খেল।
তপনে আনে দিন জেঁাকাৰি বায় বীণ
কৰমী সুৰ বায় কৰমী সুৰ।

জোনায়ে তৰে পাল সিয়ো যে লাগে ভাল
নিশাটি জুৰ হে নিশাটি জুৰ।
জুৰণি জীৱনৰ ক্ষণিক খেল
শাৰদী সন্ধিয়াৰ জোনাকী মেল।

শাৰদী সন্ধিয়াৰ জোনাকী মেল
নিৰলা জীৱনৰ ময়াপী খেল।
কৰবী সৰি যায় সুৰভি উৰি যায়
ধৰিলে ফল, হে ধৰিলে ফল।

মন যে যায় ভোল তাৰো কি নাই মোল
সুৰভি গ'লে হে সুৰভি গ'লে।
সুৰভি সাঁচিবৰ ময়াপী খেল,
শাৰদী সন্ধিয়াৰ জোনাকী মেল।

২৮

বন্ধু হে, হেলায় যায় বেলা,
চৌপাশে মোৰ ৰসময়ী মেলা।

আজি শৰতৰ পৱনত উটা
মালতীৰ বাচে
বোৱায় প্ৰেমৰ পগলা সোতা,
তোমাৰ সুৰভি সোঁতত ছুটিছে
মোৰ মাথোন জীৱন ভেলা।

পুৱা আকাশত তুলিছেহি ঢৌ
সখীয়তীহালে
বৰষি বুকুৰ সুৱদী মৌ
মোৰ জীৱন বীণৰ তাঁৰত ছুঠিছে
তোমাৰ সুৰৰ ঢৌৰ খেলা।